জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

শতিতম বছৰ, সংখ্যা ৭৭ ● শনিবাৰ ● ৭ আঘোণ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday November 23, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ



### ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ স্বচ্ছতা সজাগতা সভা

# স্বচ্ছতাই মানুহৰ মন, মগজু, শৰীৰ আৰু পৰিৱেশ সুস্থ কৰি ৰাখে ঃ অধ্যক্ষ ড° শইকীয়া

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ ডিব্ৰুগড়স্থিত ক্ষেত্ৰ প্ৰচাৰ কাৰ্যালয়ৰ উদ্যোগত কালি এক স্বচ্ছতা সজাগতা সভা অনুষ্ঠিত হয়। পুৱা ১১ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষ্ণু ৰাভা ৰংগমঞ্চত অনুষ্ঠিত হোৱা সভাত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, স্বচ্ছ ভাৰত মিছনৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেছেদৰ, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্ট তথা একনং খণ্ডৰ সমন্বয়ক ড° শশীকান্ত শইকীয়াই। প্ৰদৰ্শনী উদ্বোধন কৰাৰ পাছতে অনুষ্ঠিত হোৱা সভাত বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'ডীন অব্ ষ্টুডেণ্ট এফেয়াৰছ' ড° সুৰজিৎ কাকতীয়ে। ড° কাকতীয়ে উঠি অহা প্ৰজন্মক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গুৰুত্ব দিবলৈ আৰু সকলোকে এনে ক্ষেত্ৰত সজাগ হৈ থাকিবলৈ আহ্বান জনায়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়, 'স্বচ্ছতাই মানুহৰ মন, মগজু, শৰীৰ আৰু পৰিৱেশ সুস্থ কৰি ৰাখে।' ভগৱানক উপলব্ধি কৰিবলৈ হ'লে স্বচ্ছতাৰ মাজত জীয়াই থাকিবলৈ আহ্বান জনাই অধ্যক্ষগৰাকীয়ে কয়— য়িবোৰ মানুহে পৰিষ্কাৰ-পৰিচ্ছন্নতাক এক অভ্যাস, জীৱন ধাৰণৰ পদ্ধতি বুলি গ্ৰহণ কৰে, সেইসকলৰ চিন্তাত সামাজিক অনুশাসন, ঐক্য-সম্প্ৰীতি আৰু সন্মান ভাগ-বতৰা কৰা দেখা পোৱা যায়। নিজৰ গাঁওখনৰ, নগৰখনৰ বাট-পথ, ঘৰ-দুৱাৰ, কৰ্মস্থলী, চুবুৰিৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখিলে মানুহৰ জীৱন ধাৰণৰ মান, মূল্যবোধ আৰু উন্নত ভৱিষ্যতৰ প্ৰতি থকা দায়বদ্ধতাৰ বিষয়ে সমাজলৈ এক বিশেষ বাৰ্তা প্ৰেৰণ কৰিব বুলি তেওঁ কয়। উঠি অহা প্ৰজন্মক নিজৰ দেশখনক ভাল পাবলৈ আৰু পৃথিৱীখনৰ প্ৰতি দায়বদ্ধতা পালন কৰিবলৈ আহ্বান জনাই তেওঁ কয়— সকলোৱে মিলি এখন সুন্দৰ পৰিষ্কাৰ পৃথিৱী, সুস্থ আৰু উন্নত সমৃদ্ধিশালী পৃথিৱী সৃষ্টি কৰিব পৰা যায়। অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাস, ক্ষেত্ৰ প্ৰচাৰ বিষয়া নৱাল কিশোৰ প্ৰসাদে সকলোকে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনাই মননশীল বক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে অনুষ্ঠানৰ পূৰ্বে পুৱাৰ ভাগত এক স্বচ্ছতাৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে অনুষ্ঠানৰ লগত সংগতি ৰাখি গীত-মাত, নৃত্যৰ বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়।




## ডুমডুমাত